السنّة النبوية وعلومها
www.sunnah.global

“দুটা বাক্য দয়াময় আল্লাহৰ খুবেই প্ৰিয় , সেই দুটা উচ্চাৰণ কৰিবলৈও খুবেই সহজ , তুলাচনীত হ 'ব অতি গধূৰ

আবু হুৰাইৰাহ ৰাদ্বিয়াল্লাহু আনহুৰ পৰা বৰ্ণিত , নবী চাল্লাল্লাহু আলাইহি অছাল্লামে কৈছেঃ “দুটা বাক্য দয়াময় আল্লাহৰ খুবেই প্ৰিয় , সেই দুটা উচ্চাৰণ কৰিবলৈও খুবেই সহজ , তুলাচনীত হ 'ব অতি গধূৰ।সেয়া হৈছে : سُبْحَانَ اللَّهِ وَبِحَمْدِهِ سُبْحَانَ اللَّهِ الْعَظِيمِ ছুবহা -নাল্লাহি অবিহামদিহি , ছুবাহা -নাল্লাহিল আজীম। (মহান আল্লাহ অতি পৱিত্ৰ , প্ৰশংসা একমাত্ৰ তেওঁৰেই। আল্লাহ অতি পৱিত্ৰ , তেওঁ অত্যন্ত মহান।। ”

[ছহীহ] [(মুত্তাফাক আলাইহ {বুখাৰী মুছলিম })]

নবী চাল্লাল্লাহু ‘আলাইহি অছাল্লামে দুটা বাক্য সম্পৰ্কে জনাইছে যে , মানুহে সকলো সময়তে সেই দুটা বাক্যক খুব সহজে উচ্চাৰণ কৰিব পাৰে , আৰু মীজানত সেই দুটা বাক্যৰ ছোৱাব অত্যন্ত গধূৰ হ 'ব, আমাৰ দয়াময় প্ৰতিপালক মহান আল্লাহে সেই বাক্য দুটাক খুবেই পছন্দ কৰে। سُبْحَانَ اللَّهِ وَبِحَمْدِهِ سُبْحَانَ اللَّهِ الْعَظِيمِ ছুবহা -নাল্লাহি অবিহামদিহি , ছুবাহা -নাল্লাহিল আজীম। এই বাক্য দুটা অতি প্ৰিয় হোৱাৰ কাৰণ হৈছে , ইয়াৰ ভিতৰত মহান আল্লাহৰ পূৰ্ণাংগ গুণাৱলী আৰু মহত্বৰ কথা উল্লেখ আছে, আৰু তেখেতক সকলো প্ৰকাৰৰ দোষ-ত্ৰুটিৰ পৰা পৱিত্ৰ ঘোষণা কৰা হৈছে।

https://sunnah.global/hadeeth/as/show/5507

النجاة الخيرية
ALNAJAT CHARITY

لجنة الدعوة الإلكترونية
EDC E-Da'wah Committee